# নগাঁও ক্ৰীড়া সংস্থা
## ।। ২০২২-২০২৩ বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভা ।।

**সময়ঃ দিনৰ ১১ বজা** **তাং- ইং ১৬/০৭/২০২৩**

আজি ইং ১৬/০৭/২০২৩ তাৰিখ দেওবাৰে পুৰা ১১ বজাত নগাঁও ক্ৰীড়া সংস্থাৰ স্প’ৰ্টছ ক্লাৱ পেভিলিয়নত নগাঁও ক্ৰীড়া সংস্থাৰ বাৰ্ষিক সাধাৰণ সভাখন অনুষ্ঠিত হয়। সভাপতি শ্ৰীৰাজেন গোহাঁইদেৱৰ অনুপস্থিতিত সভাখন সভাপতিত্ব কৰিবলৈ ৰেডিয়েল ক্লাৱৰ প্ৰতিনিধি শ্ৰীতপন কুমাৰ শৰ্মাদেৱক অনুৰোধ জনোৱাত শ্ৰীশৰ্মাদেৱে সদনৰ সকলো সদস্যক ধন্যবাদ জ্ঞাপন কৰে আৰু সকলোৰে সহায়-সহযোগিতা কামনাৰে সভাপতিৰ আসন গ্ৰহণ কৰি সভাৰ কাম আৰম্ভ কৰে।

২ নং কাৰ্য্যসূচীমতে, সভাপতিয়ে সভাত উপস্থিত সমূহ ক্লাৱৰ প্ৰতিনিধিসকলক নিজৰ নিজৰ পৰিচয় সমূহ দাঙি ধৰিবলৈ অনুৰোধ জনায়। সভাপতিৰ অনুৰোধমৰ্মে উপস্থিত সকলো সদস্যই নিজ ৰ নিজৰ পৰিচয় আগবঢ়ায়।

ইয়াৰ পিচতেই নগাঁও ক্ৰীড়া সংস্থাৰ নিৰ্বাচনী প্ৰক্ৰিয়াত পৰ্য্যবেক্ষক হিচাপে উপস্থিত থকা অলিম্পিক সংস্থাৰ উপ-সভাপতি শ্ৰীৰাজ কাকতি, সহকাৰী সম্পাদক ধ্ৰুৱ কলিতা আৰু কাৰ্য্যবাহী সদস্য শ্ৰী জেহিৰুল হক ডাঙৰীয়াক নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক শ্ৰীপ্লাৱন বৰুৱাদেৱে এখনিকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়।

৩ নং কাৰ্য্যসূচী মতে, সভাপতি মহোদয়ে এই বছৰটোত যিসকল লোকে মৃত্যুক সাৱটি ললে, তেখেতসকলৰ আত্মাৰ চিৰশান্তিৰ বাবে শোকপ্ৰস্তাৱ গ্ৰহণ কৰি সভাত উপস্থিত সকলোকে এক মিনিট সময় মৌণ প্ৰাৰ্থনা অৱলম্বন কৰিবলৈ অনুৰোধ জনায়।

৪ নং কাৰ্য্যসূচী মতে, সাধাৰণ সম্পাদক শ্ৰীপ্লাৱন বৰুৱাদেৱে ২০২১-২০২২ বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভাৰ কাৰ্য্যবিৱৰণী সদনত পাঠ কৰি শুনায়।

উক্ত প্ৰতিবেদন পাঠ কৰাৰ ওপৰত ষ্টাৰ স্প’ৰ্টিং ক্লাৱৰ প্ৰতিনিধি শ্ৰী প্ৰদীপ কুমাৰ হাজৰিকাদেৱে প্ৰশ্ন কৰে যে - প্ৰতিবেদনখনত জিমনাষ্টিক্‌ছৰ ক্ষেত্ৰত ৰাজ্যিক পৰ্য্যায়ত অনুষ্ঠিত হোৱা কিছুমান খেল উল্লেখ হোৱা নাই বুলি লিখা আছে। কিন্তু কি কি খেল ক’ত ক’ত হৈছিল, সেইবোৰো প্ৰতিবেদনখনত উল্লেখ থাকিব লাগে বুলি তেওঁ সদনত জনায়।

প্ৰত্যুত্তৰত সাধাৰণ সম্পাদক মহোদয়ে কয় যে, এই সকলোবোৰ শাখা সম্পাদকৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছে।

সঞ্জীৱন সমাজৰ প্ৰতিনিধি ডঃ মুকুট গোস্বামীদেৱে খেলুৱৈসকলৰ ইঞ্চুৰেঞ্চৰ কাৰণে ভাল অধিবক্তা আৰু ভাল ইঞ্চুৰেঞ্চৰ কোম্পানীত কৰ্মৰত ব্যক্তি এজনৰ পৰা পৰামৰ্শ ল’ব লাগে।

প্ৰত্যুত্তৰত সাধাৰণ সম্পাদক শ্ৰীপ্লাৱন বৰুৱাদেৱে কয়, ক্লাৱসমূহক বিষয়টো অৱগত কৰা হৈছে। কিন্তু ক্লাৱসমূহ ইচ্ছুক নহয়। কিন্তু সঞ্জীৱন সমাজে ইঞ্চুৰেঞ্চ কৰাৰ সিদ্ধান্ত লৈছো আৰু ক্লাৱসমূহক অনুৰোধ কৰাত সকলোৱে কৰি ল’ব বুলি কয়।

নগাঁও টাউন ক্লাৱৰ প্ৰতিনিধি শ্ৰীতপন কুমাৰ দাসদেৱে কয় যে - ইঞ্চুৰেঞ্চ অকল খেলুৱৈখিনি নহয় তাৰোপৰি আমি যিসমূহ ক্লাৱ লীগ আয়োজন কৰো সেইসকলোবোৰ ইঞ্চুৰেঞ্চ কৰিব লাগে। আজিকালি ডাঙৰ ডাঙৰ যিমান টুৰ্ণামেন্ট আয়োজন কৰা হয়, সেই সকলোবোৰ আগতীয়াকৈ ইঞ্চুৰেঞ্চ কৰাই লয়। সেইটো কৰিলে আমি খেলৰ শেষত যিবোৰ ক্ষয়-ক্ষতি আৰু লোকচান হয়, সেইখিনি ইঞ্চুৰেঞ্চৰ জৰিয়তে পূৰণ কৰিবলৈ সুবিধা পায়।

তেখেতৰ বক্তব্যত সন্মতি জনাই ষ্টাৰ স্প’ৰ্টিং ক্লাৱৰ প্ৰতিনিধি শ্ৰীপ্ৰদীপ কুমাৰ হাজৰিকাদেৱে কয় যে - এইখিনি কাৰ্য্য নতুনকৈ হ’বলগীয়া সমিতিৰ দ্বাৰা কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰা হ’ব।

ৰেডক্ৰছ ক্লাৱৰ প্ৰতিনিধি শ্ৰীগৌৰীশংকৰ ৰয়দেৱে কয় যে, নগাঁও ক্ৰীড়া সংস্থাৰ এথলেটিক্‌ছৰ যিটো ট্ৰেক তৈয়াৰ কৰা হ’ব, সেইটো আন্তঃৰাষ্ট্ৰীয় এথলিট শ্ৰীমতী হিমা দাসৰ নামত নামাকৰণ কৰিব লাগে। প্ৰত্যুত্তৰত শ্ৰীপ্লাৱন বৰুৱাদেৱে কয় যে - যিহেতু আমাৰ ট্ৰেকটো এতিয়াও তৈয়াৰ কৰা হোৱা নাই, গতিকে নামাকৰণ কৰিব পৰা নাই।

ক্ৰমশঃ২

অম্লান গোষ্ঠীৰ প্ৰতিনিধি শ্ৰীউজ্জ্বল বৰুৱাদেৱে কয় যে, নগাঁও ক্ৰীড়া সংস্থাৰ অন্তৰ্গত সকলো ইভেন্টতে একোজনকৈ এন. আই. এছ. প্ৰশিক্ষকৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে বুলি পৰামৰ্শ পূৰ্বৰ বাৰ্ষিক সাধাৰণ সভাত আগবঢ়াইছিলো, কিন্তু এতিয়াও কাৰ্য্যকৰী কিয় নহ'ল জানিব বিচাৰে। প্ৰত্যুত্তৰত শ্ৰীপ্লাৱন বৰুৱাদেৱে কয় যে, এতিয়ালৈকে কোনো ইচ্ছুক প্ৰাৰ্থী অহা নাই, গতিকে আমি পঠিয়াব পৰা নাই, যদি আহে আমি নিশ্চয় পঠিয়াম। কিন্তু ত্ৰিনয়ন গোষ্ঠীৰ প্ৰতিনিধি শ্ৰীৰূপক শৰ্মাদেৱৰ তত্বাৱধানত তথা সহযোগত ফুটবল আৰু এথলেটিক্‌ছ শাখাত দুজনকৈ এন. আই. এছ. প্ৰশিক্ষকে বৰ্তমান প্ৰশিক্ষণ দি আছে।

ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ প্ৰতিনিধি শ্ৰীপ্ৰদীপ কুমাৰ হাজৰিকাদেৱে কয় যে - সাধাৰণ সম্পাদক আৰু শাখা সম্পাদকসকলৰ প্ৰতিবেদন যিহেতু সকলোৱে এতিয়া পাইছে, গতিকে সকলোকে প্ৰতিবেদন পঢ়িবলৈ ১০ মিনিট সময় দিয়া হওঁক। সদনে সহমত প্ৰকাশ কৰে।

নগাঁও টাউন ক্লাবৰ প্ৰতিনিধি শ্ৰীব্ৰজেন কাকতিদেৱে কয় যে - বিশেষ সাধাৰণ সভাখন যে হৈছিল, সেইখনৰ প্ৰতিবেদন পাঠ কৰা নহয় যদি কিয় সেইখন সভা অনুষ্ঠিত কৰা হৈছিল বুলি প্ৰশ্ন উত্থাপন কৰে। সেইখন সভাত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হৈছিল। লগতে তেওঁ কয় - অসমীয়া ভাষাটো স্বীকৃতিপ্ৰাপ্ত ৰাজ্যিক ভাষা। কিন্তু দেখা গৈছে যে- সংস্থাৰ সভাৰ কাৰণে যিবোৰ বেনাৰ তৈয়াৰ কৰা হয় তাত অকল ইংৰাজী ভাষাহে উল্লেখ আছে, গতিকে সেইবোৰ অসমীয়া ভাষাত উল্লেখ কৰিলে ভাল হয়। শ্ৰীকাকতিদেৱে সদনত জনায় যে - অসমলৈ যিসকল খেলুৱৈয়ে গৌৰৱ কঢ়িয়াই আনিছে, যেনে - নয়ন মনি শইকীয়া, হিমা দাস, লাভলীনা বৰগোহাঁই- এইসকল খেলুৱৈৰ প্ৰসঙ্গতো সাধাৰণ সম্পাদকৰ প্ৰতিবেনত উল্লেখ হ'ব লাগে।

অম্লান গোষ্ঠীৰ প্ৰতিনিধি শ্ৰীউজ্জ্বল বৰুৱাদেৱে কয় য়ে - সাধাৰণ সম্পাদকৰ প্ৰতিবেদনত জিমনাষ্টিক্‌ছৰ কথা উল্লেখ নাই। থকা হ'লে ভাল আছিল। প্ৰত্যুত্তৰত সাধাৰণ সম্পাদক মহোদয়ে জিমনাষ্টিক্‌ছৰ প্ৰতিবেদনখন পাঠ কৰি শুনায়।

ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ প্ৰতিনিধি শ্ৰীপ্ৰদীপ কুমাৰ হাজিকাদেৱে কয় যে - সংস্থাৰ সংবিধানখন প্ৰিন্ট কৰা হৈছে। সকলোকে দিয়া হ'ব। আনহাতে, অলপদিন আগত হৈ যোৱা বিশেষ সাধাৰণ সভাৰ প্ৰতিবেদনখনো প্ৰেৰণ কৰিব লাগিছিল বুলি তেওঁ লগতে মতপোষন কৰে। শুধৰণী কৰাৰ পিচত ২০২১-২০২২ বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভাৰ কাৰ্য্যবিবৰণীখন সৰ্বসন্মতিক্ৰমে গৃহীত আৰু অনুমোদিত কৰা হয়।

৫ নং কাৰ্য্যসূচীত উল্লেখ থকা ২০২২-২০২৩ বৰ্ষৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন আৰু শাখা সম্পাদকসকলৰ প্ৰতিবেদন সদনত গ্ৰহণ কৰা হয়।

ৰেড ক্ৰছ ক্লাবৰ প্ৰতিনিধি শ্ৰীগৌৰীশংকৰ ৰয়ে কয় যে -এথলেটিক্‌ছ শাখাত দুজন এন. আই. এছ প্ৰশিক্ষকৰ ভিতৰত এজনৰ নাম উল্লেখ আছে, আনজনৰ নাম নাই কিয় বুলি তেওঁ প্ৰশ্ন উত্থাপন কৰে।

অম্লান গোষ্ঠীৰ প্ৰতিনিধি শ্ৰীউজ্জ্বল বৰুৱাদেৱে কয় য়ে - মই এজন কলা শাখাত পঢ়া ছাত্ৰ আছিলো। অডিট ৰিপোৰ্টটো বুজিবলৈ কিছু অসুবিধাৰ সন্মুখীন হৈছো। গতিকে অলপ থুল-মূলকৈ বুজাই দিয়া হ'লে বুজিবলৈ সুবিধা হ'লহেঁতেন। শ্ৰীবৰুৱাদেৱৰ উক্ত কথাত সংস্থাৰ কোষাধ্যক্ষ শ্ৰীৰমেশ কুমাৰ আগৰৱালাদেৱে অডিট ৰিপোৰ্টটো সুন্দৰভাৱে বুজাই দিয়ে।

ত্ৰিনয়ন গোষ্ঠীৰ প্ৰতিনিধি শ্ৰীঅসীম কুমাৰ ভাৰালদেৱে অডিট ৰিপোৰ্টটো নিৰীক্ষণ কৰি কয় যে - অডিট ৰিপোৰ্টটো বছৰৰ ৩১ মাৰ্চলৈকে দিয়া হৈছে। বাকী এপ্ৰিল, মে' আৰু জুন মাহৰখিনি আছে নেকি জানিব বিচাৰে। প্ৰত্যুত্তৰত শ্ৰীৰমেশ কুমাৰ আগৰৱালাদেৱে সদনত জনায় যে- জুন মাহলৈকে হিচাৰসমূহ কৰা আছে।

ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ প্ৰতিনিধি শ্ৰীপ্ৰদীপ কুমাৰ হাজৰিকাদেৱে কয় যে - মই সংস্থাত ১৭ বছৰ ২ মাহ কাৰ্য্যকালত সাধাৰণ সম্পাদকৰ পদত আছিলো। মোৰ কাৰ্য্যকালৰ সময়ছোৱাত অডিট ৰিপোৰ্টটো মাৰ্চলৈকেহে দিয়া হয়। তাৰোপৰি বিল্ডিঙৰ বাজেটখন সুকীয়াকৈ দাখিল কৰিব লাগিছিল বুলি তেওঁ সদনত জনায়।

নগাঁও টাউন ক্লাবৰ প্ৰতিনিধি শ্ৰীব্ৰজেন কাকতিদেৱে কয় যে - সংবিধানখনৰ দৰে বাজেটখনো চপা কৰি দিয়া হ'লে ভাল আছিল। কাৰণ সাধাৰণ কাগজত চপা কৰি দিয়াৰ পিচত হয়তো হেৰাব বা ফাটিব পাৰে। T.A. আৰু D.A. টো স্পষ্টকৈ বুজাই দিলে ভাল হয়। তিনিজনীয়া কমিটি এখন পুনৰীক্ষণ কৰাৰ বাবে তৈয়াৰ কৰি দিয়ক।

ক্ৰমশঃ ৩

ত্ৰিনয়ন গোষ্ঠীৰ প্ৰতিনিধি শ্ৰীৰূপক শৰ্মাদেৱে সভাত উপস্থিত সকলোকে সম্বোধন কৰি কয় যে - আমি সংস্থাৰ ২০২৩-২০২৪ বৰ্ষৰ এখন বাজেট পাইছো, কিন্তু তাৰ আগতে ক'ৰবাত আৰ্থিক পৰিশোধ কৰিবলগা আছিল নেকি তেওঁ জানিব বিচাৰে। লগতে এইবিষয়ে অলপ স্পষ্টকৈ জনাই দিলে ভাল হয় বুলি তেওঁ সদনত জনায়।

প্ৰত্যুত্তৰত কোষাধ্যক্ষ শ্ৰীৰমেশ আগৰৱালাদেৱে কয় যে- Construction ৰ ক্ষেত্ৰত কোনো বাকী নাই। মাত্ৰ মিস্ত্ৰী কিছু পইচা দিয়া হোৱা নাই বুলি তেওঁ সদনত জনায়। General ত 'ৰাজলক্ষী দোকান' ত কিছু দিবলগা আছে।

নগাঁও টাউন ক্লাবৰ প্ৰতিনিধি শ্ৰীতপন কুমাৰ দাসদেৱে কয় যে - সংবিধাখনৰ বেটুপাতত নগাঁও ক্ৰীড়া সংস্থাৰ মূল গেটটোৰ ফটো সম্বলিত হোৱা হ'লে ভাল আছিল। বহু কম সময়ৰ ভিতৰত সংবিধানখন আমাৰ হাতত তুলি দিয়াৰ বাবে ধন্যবাদ জনাইছো।

ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ প্ৰতিনিধি শ্ৰীপ্ৰদীপ কুমাৰ হাজৰিকাদেৱে কয় যে- আমি সংবিধানখন মানিছো নে নাই চাব লাগে। কুলিং পিৰিয়ডটো আমি মনা নাই। R.O. ক অনুৰোধ জনাইছো আগন্তুক দিনত যাতে সংবিধানমতে হ'ব লাগে। উক্ত কথাত সমৰ্থন জনাই নগাঁও ৰাজস্থানী যুৱক সংঘৰ প্ৰতিনিধি শ্ৰীপ্ৰমোদ কোঠাৰীদেৱে কয় যে - এইটো সংবিধানত সন্নিবিষ্ট হ'ব লাগে।

অম্লান গোষ্ঠীৰ প্ৰতিনিধি শ্ৰীতাপস ভাৱালদেৱে কয় যে - যদি সংস্থাৰ টকা জমা আছে তেন্তে কিয় এজনে ইমান টকা পাবলগীয়া হৈ আছে বুলি তেওঁ সদনত প্ৰশ্ন উত্থাপন কৰে।

ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ প্ৰতিনিধি শ্ৰীমৃণাল কুমাৰ হাজৰিকাদেৱে কয় যে - ক্ৰিকেটৰ নামত অসম ক্ৰিকেট সন্থাৰ পৰা ১০ লাখ টকা আহিছিল। তাৰে চাৰি লাখ টকা খৰচ হৈছিল। ছয় লাখ টকা জমা হৈছিল তাৰপৰাই 'ৰাজলক্ষী'দোকানীক দি দিব লাগিছিল।

ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ প্ৰতিনিধি শ্ৰীপ্ৰদীপ কুমাৰ হাজৰিকাদেৱে কয় যে - এক এপ্ৰিলৰ পৰা একত্ৰিশ মাৰ্চলৈকে চাৰ্টাৰ একাউন্টৰ অ'ডিট হয়। তাৰ পিচৰখিনি মূল বাজেট এটা দেখাব লাগে। মোৰ কাৰ্য্যকালত তদানীন্তন কোষাধ্যক্ষ শ্ৰীৰামঅৱতাৰ আগৰৱালাদেৱে দিছিল। সংস্থাই দোকানসমূহৰ পৰা ভাৰা কিমান পায় আমাক জনাওঁক। হিচাব পৰীক্ষকক ধন্যবাদ জ্ঞাপন কৰিছো। আজি নতুন সমিতি গঠন হ'ব। নতুন সমিতি অহাৰ পিচত তেওঁলোকে যদি শোধে আমি টকা কিমান পাওঁ ? সেইকাৰণে হিচাববোৰ ভালদৰে দিব লাগে।

আজিৰ সভাৰ সভাপতি শ্ৰীতপন কুমাৰ শৰ্মাদেৱে তিনিজনীয়া সমিতি এখন গঠন কৰি দিয়ে হিচাবসমূহ ভালদৰে চোৱা-চিতা কৰিবৰ বাবে। সমিতিখন হ'ল - সৰ্বশ্ৰী- ৰমেশ আগৰৱালা, প্ৰদীপ কুমাৰ হাজৰিকা আৰু উজ্জ্বল বৰুৱা।

ত্ৰিনয়ন গোষ্ঠীৰ প্ৰতিনিধি শ্ৰীৰূপক শৰ্মাদেৱে কয় যে - নতুন সমিতি আহিলেও চাৰ্জ লঁওতে ৭/১০ দিন লাগিবই। গতিকে একেলগে সকলোৱে বহি বুজাবুজিৰ মাজেৰে কাক কি দিবলগীয়া আছে, সেইখিনি ঠিক কৰি লোৱা হওঁক। তেতিয়া সদনে উক্ত প্ৰস্তাৱ গ্ৰহণ কৰে।

সাধাৰণ সম্পাদক মহোদয়ে নতুনকৈ দৰ্খাস্ত দিয়া ক্লাব আৰু উপ-ক্ৰীড়া সংস্থাৰ নামসমূহ সদনত পাঠ কৰি শুনোৱায়।

১) ক্লাবসমূহ হ'ল - ১) ৰংমন একাডেমী, ২) ঈগল'ছ ক্লাব, ৩) এন. এফ. চি. স্প'ৰ্টছ ক্লাব, ৪) খুটিকটিয়া য়ুথ ক্লাব, ৫) ডিষ্ট্ৰিক্ট হেল্‌থ চাৰ্ভিছ স্প'ৰ্টছ ক্লাব, ৬) ভৰমিৰ ফুটবল ক্লাব আৰু ৭) মাজৰআটি অৰুণোদয় সাংস্কৃতিক সমাজ।

২) উপ-ক্ৰীড়া সংস্থাসমূহ হ'ল - ১) ধিং ক্ৰীড়া সংস্থা, ২) কামপুৰ ক্ৰীড়া সংস্থা, ৩) ৰহা ক্ৰীড়া সংস্থা আৰু ৪) জুঙালবলহু ক্ৰীড়া সংস্থা।

সাধাৰণ সম্পাদক মহোদয়ে কয় যে - মই এটা চিন্তা কৰিছো - বছৰটো ১১ মহীয়া কৰিব লাগে আৰু এক মাহ খেলপথাৰখনক জিৰণি দিব লাগে খেলপথাৰখনৰ উন্নতি কৰিবৰ কাৰণে। প্ৰত্যুত্তৰত অম্লান গোষ্ঠীৰ প্ৰতিনিধি শ্ৰীউজ্জ্বল বৰুৱাদেৱে কয় যে - খেলপথাৰখনক জিৰণি দিয়ক আমাৰ আপত্তি নাই। কিন্তু আমি খেলুৱৈখিনিক বেলেগ এখন খেল পথাৰ দিব পাৰিম জানো!

নগাঁও টাউন ক্লাবৰ শ্ৰীতপন কুমাৰ দাসদেৱে কয় যে - খেলুৱৈৰ সংখ্যা বহুত বাঢ়িব ধৰিছে। গতিকে আমাক অতিৰিক্ত খেলপথাৰৰ প্ৰয়োজন হৈছে। সন্মানীয় বিধায়ক মহোদয়ে কৈছিল নগাঁৱৰ কাৰাগাৰখন স্থানান্তৰ হোৱাৰ কথা। যদি স্থানান্তৰ হয়, তেন্তে সেই মাটিখিনিত এখন খেলপথাৰ তৈয়াৰ কৰাৰ ব্যৱস্থা কৰি দিবলৈ মাননীয় বিধায়ক মহোদয়ক অনুৰোধ জনাইছো। লগত পুলিচ ৰিজাৰ্ভ আৰু ড'চন-বেংগলী স্কুলৰ খেলপথাৰখনো খেলুৱৈসকলৰ বাবে সুবিধা কৰি দিবৰ বাবে অনুৰোধ জনাইছো।

ক্ৰমশঃ ৪

প্ৰৱাহ গোষ্ঠীৰ প্ৰতিনিধি শ্ৰীপ্ৰশান্ত কুমাৰ বৰাদেৱে কয় যে - ক্ৰিকেট শাখাটো ড'চন-বেংগলী স্কুলৰ খেলপথাৰলৈ নিয়াৰ ব্যৱস্থা কৰিব লাগে।

অম্লান গোষ্ঠীৰ প্ৰতিনিধি শ্ৰীউজ্জ্বল বৰুৱাদেৱে কয় যে - এই বিষয় কেইটা নতুন কমিটিয়ে আলোচনা কৰিব।

নগাঁও ৰাজস্থানী যুৱক সংঘৰ প্ৰতিনিধি শ্ৰীজীৱন মল চুৰানাদেৱে কয় যে - স্বাধীনতা কাপৰ যিখিনি টকা ধাৰ হৈ থাকিব, সেইখিনি টকাত খেলুৱৈৰ টকা যাতে নোসোমাই।

নগাঁও টাউন ক্লাৱৰ প্ৰতিনিধি শ্ৰীতপন কুমাৰ দাসদেৱে কয় যে - সংস্থাৰ মূখ্য পৃষ্ঠপোষকতাত মাননীয় মূখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাদেৱৰ নামটো ৰাখিব লাগে। লগতে ত্ৰিনয়ন গোষ্ঠীৰ প্ৰতিনিধি শ্ৰীঅসীম কুমাৰ ভাৰালদেৱে কয় যে - তেখেতক নগাঁও ক্ৰীড়া সংস্থাৰ 'জীৱন যোৰা সদস্য' হিচাপে ৰাখিব লাগে।

অম্লান গোষ্ঠীৰ প্ৰতিনিধি শ্ৰীউজ্জ্বল বৰুৱাদেৱে কয় যে -সংস্থাৰ পৃষ্ঠপোষক হিচাপে মাননীয় অসম চৰকাৰৰ মন্ত্ৰী শ্ৰীপিযুষ হাজৰিকাদেৱৰ নামটো আৰু নগাঁও জিলাৰ উপায়ুক্তৰ নামটোও ৰাখিব লাগে।

ত্ৰিনয়ন গোষ্ঠীৰ প্ৰতিনিধি শ্ৰীৰূপক শৰ্মাদেৱে কয় যে - মুখ্য পৰামৰ্শদাতা হিচাপে সংস্থাৰ প্ৰাক্তন সভাপতি শ্ৰীযুত ৰাজেন গোহাঁইৰ নামটো ৰাখক। প্ৰস্তাৱটো সৰ্বসন্মতিক্ৰমে সদনে গ্ৰহণ কৰে।

লগতে শ্ৰীৰূপক শৰ্মাদেৱে কয় যে - "আহি আহি আমি নিৰ্বাচনৰ সময় পালোহি। যোৱা চাৰি বছৰে কাৰ্য্যকালত থকা সভাপতি, সম্পাদককে প্ৰমুখ্য কৰি সকলো সদস্যকে ধন্যবাদ জ্ঞাপন কৰিছো। আমি সকলোৱে ক্লাৱক প্ৰতিনিধিত্ব কৰি আহিছো কেৱল খেলৰ কাৰণে। মোৰ নামটো বিনা প্ৰতিদ্বন্দ্বিতাৰে আহিছে। গতিকে সকলোৱে মিলি-জুলি থাকিব লাগিব, সকলোতকৈ ডাঙৰ কথা - আমি সদায় জ্যেষ্ঠজনক সন্মান কৰিব লাগিব বুলি তেওঁ লগতে মতপোষন কৰে। তেখেতে আৰু কয় যে - আজিৰে পৰা সকলোৱে সকলোকে সহায় কৰিবলৈ অনুৰোধ জনাইছো। আমি যদি নগাঁৱৰ এটা দল তৈয়াৰ কৰিব হ'লে আমি সকলোখিনি তৈয়াৰ কৰিম। আমাক সকলোৰে সহযোগিতা লাগিব। এতিয়া আমি সকলোৱে মিলি এখন ফটো উঠিম। তাৰ পিচতে নিৰ্বাচনী প্ৰক্ৰিয়া আৰম্ভ কৰিম"।

সভাপতি মহোদয়ে পুৰণা কমিটিখন ভংগ হ'ল বুলি ঘোষনা কৰে।

নিৰ্বাচনী বিষয়া, শ্ৰীজে.এন. শৰ্মাদেৱে ভোট কেনেকৈ গ্ৰহণ কৰিব লাগিব সকলোখিনি বুজাই দিয়ে। লগতে তেওঁৰ সহযোগীৰূপে থাকে শ্ৰীবিকাশ পাঠকদেৱে।

নিৰ্বাচন আৰম্ভ হয় বিয়লি ২ বজাৰ পৰা আৰু সমাপ্ত হয় ৪.৩০ বজাত।

নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা সদস্যসকল ঃ-

ক) মুঠ ভোটাৰ - ৫৫ জন।

খ) অনুপস্থিত - ৩ জন।

| পদৰ নাম | | প্ৰাৰ্থীৰ নাম | ভোটৰ সংখ্যা |
|---|---|---|---|
| ১) সভাপতিৰ বাবে | ঃ | শ্ৰীৰূপক শৰ্মা (অপ্ৰতিদ্বন্দ্বী) | |
| ২) সাধাৰণ সম্পাদকৰ বাবে | ঃ | ক) শ্ৰীপ্লাৱন বৰুৱা | - ১৩ টা |
| | | খ) শ্ৰীতপন কুমাৰ দাস | - ৩৯ টা |
| ৩) কোষাধ্যক্ষৰ বাবে | ঃ | ক) শ্ৰীআমিনুল ইচলাম বক্সী | - ১৬ টা |
| | | খ) শ্ৰীঅসীম কুমাৰ ভাৰাল | - ৩৬ টা |
| ৪) উপ-সভাপতিৰ বাবে | ঃ | ক) শ্ৰীঅভিজিত কুমাৰ নাথ | - ৪১ টা |
| | | খ) ডাঃ কৃষ্ণ কুমাৰ বৰা | - ৩৮ টা |
| | | গ) শ্ৰীজীৱন মল চুৰাণা | - ১৭ টা |
| | | ঘ) শ্ৰীপ্ৰদীপ কুমাৰ হাজৰিকা | - ৩৭ টা |
| | | ঙ) শ্ৰীপ্ৰশান্ত কুমাৰ বৰা | - ৩৮ টা |
| | | চ) শ্ৰীৰিংকু দাস | - ১৫ টা |
| | | ছ) শ্ৰীতপন কুমাৰ শৰ্মা | - ৩৮ টা |

ক্ৰমশঃ৫

| পদৰ নাম | | প্ৰাৰ্থীৰ নাম | ভোটৰ সংখ্যা |
|---|---|---|---|
| ৫) যুটীয়া সম্পাদকৰ বাবে | ঃ | ক) শ্ৰীঅমিতাভ বৰা | - ৩১ টা |
| | | খ) শ্ৰীপ্ৰমোদ কোঠাৰী | - ১৭ টা |
| | | গ) শ্ৰীউজ্জ্বল বৰুৱা | - ৪৭ টা |
| ৬) সহকাৰী সম্পাদকৰ বাবে | ঃ | ক) শ্ৰীঅৰ্পন দাস | - ৪০ টা |
| | | খ) শ্ৰীঘনশ্যাম দাস | - ১৫ টা |
| | | গ) শ্ৰীসুৰুজ উদ্দিন আহমেদ | - ৩৮ টা |
| ৭) খেলপথাৰ সম্পাদকৰ বাবে | ঃ | ক) শ্ৰীদেৱজিত দাস (অপ্ৰতিদ্বন্দ্বী) | |
| ৮) শাখা সম্পাদকসমূহৰ বাবে | ঃ | | |
| **ক) ফুটবল** | ঃ | শ্ৰী প্ৰান্তৰ কুমাৰ ভট্টাচাৰ্য (অপ্ৰতিদ্বন্দ্বী) | |
| **খ) ক্ৰিকেট** | ঃ | ক) শ্ৰী মৃণাল কুমাৰ হাজৰিকা | - ৩৭ টা |
| | | খ) শ্ৰীসুনিত কুমাৰ বৰুৱা | - ১৫ টা |
| **গ) হকী** | ঃ | শ্ৰী শ্ৰীমোহন চন্দ্ৰ বৰা (অপ্ৰতিদ্বন্দ্বী) | |
| **ঘ)এথলেটিক্‌ছ** | ঃ | ক) শ্ৰীঅহিদুজ জামান | - ১৭ টা |
| | | খ) শ্ৰীপ্ৰনৱ বৰদলৈ | - ৩৫ টা |
| **ঙ)ভলীবল** | ঃ | ক) শ্ৰীপৰশুৰাম মহেশ্বৰী | - ১৫ টা |
| | | খ) শ্ৰীপ্ৰশান্ত কুমাৰ দাস | - ৩৭ টা |
| **চ) বাস্কেটবল** | ঃ | শ্ৰী শ্ৰীদিগন্ত বৰা (অপ্ৰতিদ্বন্দ্বী) | |
| **ছ) বেডমিন্টন** | ঃ | ক) শ্ৰীঅনিল দাস | - ৩৯ টা |
| | | খ) শ্ৰীৰণেন্দ্ৰ মোহন পণ্ডিত | - ১৩ টা |
| **জ) টেবুল টেনিছ** | ঃ | শ্ৰী শ্ৰীভৱজ্যোতি দাস (অপ্ৰতিদ্বন্দ্বী) | |
| **ঝ) জিমনাষ্টিক্‌ছ** | ঃ | শ্ৰী এইছ. কে. এম. ৰহমান (অপ্ৰতিদ্বন্দ্বী) | |
| **ঞ) কাবাডী** | ঃ | শ্ৰী ৰজত বৰদলৈ (অপ্ৰতিদ্বন্দ্বী) | |
| **ট) কেৰম** | ঃ | শ্ৰী প্ৰেম কুমাৰ দাস (অপ্ৰতিদ্বন্দ্বী) | |
| **ঠ) সাঁতোৰ** | ঃ | শ্ৰী সমীৰ হাজৰিকা (অপ্ৰতিদ্বন্দ্বী) | |
| **৮) কাৰ্য্যকৰী সদস্যৰ বাবে** | ঃ | ক) শ্ৰীআজাহাৰ উদ্দিন আহমেদ | -৪৪ টা |
| | | খ) শ্ৰীবীৰেণ কুণ্ডু | - ৪৩ টা |
| | | গ) শ্ৰীদেৱজ্যেতি গোস্বামী | - ৪১ টা |
| | | ঘ) শ্ৰীগৌৰীশংকৰ ৰয় | - ৪২ টা |
| | | ঙ) শ্ৰীহীৰক জ্যোতি বৰা | - ৩৮ টা |
| | | চ) শ্ৰীনিৰুপম মজুমদাৰ | - ৩৩ টা |
| | | ছ) শ্ৰীৰমেশ কুমাৰ আগৰৱালা | - ১৮ টা |
| | | জ) শ্ৰীসঞ্জয় কুমাৰ মাহাতো | ৪১ টা |
| | | ঝ) শ্ৰীশুভ্ৰজ্যোতি শইকিয়া | ৩৭ টা |
| | | ঞ) শ্ৰীতাপস ভাৱাল | ৩৯ টা |

ক্ৰমশঃ৫

নিৰ্বাচন শেষ হোৱাৰ পিচত নিৰ্বাচনী বিষয়াই ২০২৩-২০২৭ বৰ্ষৰ ৪ বছৰীয়া কাৰ্য্যকালৰ বাবে নগাঁও ক্ৰীড়া সংস্থাৰ নতুন কাৰ্যনিৰ্বাহক সমিতিৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে।

| **পদৰ নাম** | | **জয়ী প্ৰাৰ্থীৰ নাম** |
|---|---|---|
| ১) সভাপতি | ঃ | শ্ৰীৰূপক শৰ্মা (বিনা প্ৰতিদ্বন্দ্বীতা) |
| ২) সাধাৰণ সম্পাদক | ঃ | শ্ৰীতপন কুমাৰ দাস |
| ৩) কোষাধ্যক্ষ | ঃ | শ্ৰীঅসীম কুমাৰ ভাৰাল |
| ৪) উপ-সভাপতি | ঃ | ক) শ্ৰীপ্ৰদীপ কুমাৰ হাজৰিকা<br>খ) শ্ৰীতপন কুমাৰ শৰ্মা<br>গ) শ্ৰীপ্ৰশান্ত কুমাৰ বৰা<br>ঘ) ডাঃ কৃষ্ণ কুমাৰ বৰা<br>ঙ) শ্ৰীঅভিজিত কুমাৰ নাথ |
| ৫) যুটীয়া সম্পাদক | ঃ | ক) শ্ৰীউজ্জল বৰুৱা<br>খ) শ্ৰীঅমিতাভ বৰা |
| ৬) সহকাৰী সম্পাদক | ঃ | ক) শ্ৰীসুৰুজ উদ্দিন আহমেদ<br>খ) শ্ৰীঅৰ্পন দাস |
| ৭) খেলপথাৰ সম্পাদক | ঃ | ক) শ্ৰীদেৱজিত দাস (বিনা প্ৰতিদ্বন্দ্বীতা) |
| ৮) শাখা সম্পাদকসমূহ | ঃ | |
| **ক) ফুটবল** | ঃ | শ্ৰী প্ৰান্তৰ কুমাৰ ভট্টাচাৰ্য (বিনা প্ৰতিদ্বন্দ্বীতা) |
| **খ) ক্ৰিকেট** | ঃ | ক) শ্ৰী মৃণাল কুমাৰ হাজৰিকা |
| **গ) হকী** | ঃ | শ্ৰী শ্ৰীমোহন চন্দ্ৰ বৰা (বিনা প্ৰতিদ্বন্দ্বীতা) |
| **ঘ)এথলেটিক্‌ছ** | ঃ | শ্ৰীপ্ৰণৱ বৰদলৈ |
| **ঙ)ভলীবল** | ঃ | শ্ৰীপ্ৰশান্ত কুমাৰ দাস |
| **চ) বাস্কেটবল** | ঃ | শ্ৰী শ্ৰীদিগন্ত বৰা (বিনা প্ৰতিদ্বন্দ্বীতা) |
| **ছ) বেডমিন্টন** | ঃ | ক) শ্ৰীঅনিল দাস |
| **জ) টেবুল টেনিছ** | ঃ | শ্ৰী শ্ৰীভৱজ্যোতি দাস (বিনা প্ৰতিদ্বন্দ্বীতা) |
| **ঝ) জিমনাষ্টিক্‌ছ** | ঃ | শ্ৰী এইছ. কে. এম. ৰহমান (বিনা প্ৰতিদ্বন্দ্বীতা) |
| **ঞ) কাবাডী** | ঃ | শ্ৰী ৰজত বৰদলৈ (বিনা প্ৰতিদ্বন্দ্বীতা) |
| **ট) কেৰম** | ঃ | শ্ৰী প্ৰেম কুমাৰ দাস (বিনা প্ৰতিদ্বন্দ্বীতা) |
| **ঠ) সাঁতোৰ** | ঃ | শ্ৰী সমীৰ হাজৰিকা (বিনা প্ৰতিদ্বন্দ্বীতা) |

ক্ৰমশঃ৭

**৮) কাৰ্য্যকৰী সদস্যসমূহ** ঃ
ক) শ্ৰীআজাহাৰ উদ্দিন আহমেদ
খ) শ্ৰীবীৰেণ কুণ্ডু
গ) শ্ৰীদেৱজ্যেতি গোস্বামী
ঘ) শ্ৰীগৌৰীশংকৰ ৰয়
ঙ) শ্ৰীহীৰক জ্যোতি বৰা
চ) শ্ৰীতাপস ভাৱাল
ছ) শ্ৰীসঞ্জয় কুমাৰ মাহাতো
জ) শ্ৰীশুভ্ৰজ্যোতি শইকিয়া
ঝ) শ্ৰীনিৰূপম মজুমদাৰ

ইয়াৰ পিচতেই নিৰ্বাচনী বিষয়াই নিৰ্বাচন প্ৰক্ৰিয়াৰ যাৱতীয় নথিপত্ৰ নতুন সমিতিৰ হাতত অৰ্পন কৰাৰ অন্তত আজিৰ সভাৰ সভাপতি মহোদয়ে সকলোকে ধন্যবাদ জ্ঞাপন কৰি বাৰ্ষিক সাধাৰণ সভাখন ভংগ হ'ল বুলি ঘোষনা কৰে।

**শ্ৰীতপন কুমাৰ শৰ্মা**
সভাপতি,
বাৰ্ষিক সাধাৰণ সভা,
২০২২-২০২৩
নগাওঁ ক্ৰীড়া সংস্থা,
নগাওঁ ঃঃ অসম।